চতুৰ্থ অধ্যায়

অসমীয়া ভাষাৰ উপভাষা

৫.০০ কোনো এটা ভাষা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পিছত ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণত, সেই ভাষা-সম্প্ৰদায়ৰ এটা অঞ্চলৰ লগত আন এটা অঞ্চলৰ সহজ আৰু সঘন মিলামিছা হৈ নাথাকিলে, সময়ত গৈ একেটা ভাষাৰে কিছুমান ক্ষেত্ৰীয় ৰূপ মূৰ দাঙি উঠে। এনেদৰে ৰূপ লোৱা ক্ষেত্ৰ-ভাষাকে সেই ভাষাটোৰ উপভাষা বোলে।

অসমীয়া ভাষাৰ উপভাষা ঘাইকৈ তিনিটা— উজনি, কামৰূপী আৰু গোৱালপৰীয়া। এইবোৰৰো আকৌ আঞ্চলিক ক্ষুদ্ৰৰূপ কিছুমান আছে। ৰেখাচিত্ৰৰ সহায়ত অসমীয়া ভাষাৰ উপ-ভাষা (dialect) আৰু উপ-ভাষাৰ খণ্ডৰূপ (Sub-dialect) বোৰ এনেদৰে দেখুৱাব পাৰি।



অসমীয়া ভাষাৰ উপ-ভাষা সৃষ্টিত ঘাইকৈ ৰাজনৈতিক কাৰণে মুখ্য ভুমিকা লৈছে। ত্ৰয়োদশ শতিকাত ঘাইকৈ চাৰিখন ৰাজ্য অসমত আছিল—

মানচিত্রত সেই সময়ৰ অসমখন এনেদৰে দেখুৱাব পাৰি।



৫.০১ ত্রয়োদশ শতিকাৰ অসম ঃ

কোচৰজা নৰনাৰায়ণৰ সময়ত (১৫৪০-১৫৮৭) কোচবিহাৰৰ পৰা লক্ষীমপুৰলৈ ব্রহ্মপুত্রৰ উত্তৰাঞ্চল কোচৰাজ্যৰ দখলাধীন আছিল। নৰনাৰায়ণে কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ এটি আলিবাট বান্ধি তাৰ নাম দিছিল গোহাঁইকমল আলি। পিছত অৱশ্যে আহোম ৰজাই হেৰোৱা অঞ্চলবোৰ আকৌ দখল কৰে। পঞ্চদশ-ষোড়শ শতিকাৰ অসম আচলতে অশান্ত অসম। ৰাজ্যবোৰৰ মাজত যুঁজবাগৰ লাগি আছিল। সৰু সৰু ৰাজ্যও অ'ত ত'ত আছিল। পিছলৈ গুৱাহাটীক পশ্চিম সীমা কৰি উজনিত আহোম ৰাজ্যৰ শাসন চলিছিল। ডঃ সূর্যকুমাৰ ভূঞাই লিখিছে ঃ 'খেন আৰু কোচ বংশৰ শাসনত বহুকাল থকা বাবেই কামৰূপৰ মানুহে নাৰায়ণ বংশক শাসনকর্তা হিচাপে মানিছিল। আহোমসকলক সদায়ে বিদেশী বুলি গণ্য

কৰিছিল আৰু আহোমসকলেও কামৰূপী প্রজাক সন্দেহৰ চকুৰে চাইছিল। বদনচন্দ্র বৰফুকনৰ দিনত এনে সন্দেহে চূড়ান্তৰূপ লৈছিল। স্বাভাৱিকতেই দুই অঞ্চলৰ মানুহৰ মাজত মিলামিছা খুব কম হৈছিল— বৈবাহিক সম্বন্ধৰ কথাই নুঠে।

উজনি আৰু নামনিৰ ভাষাৰূপৰ পার্থক্য সৃষ্টিত জন-বসতিৰ প্রক্রিয়ায়ো সহায় কৰিছে। নামনিত আহোম, চুতীয়া আদি মানুহ নাছিলেই। আহোমসকলে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্রহণ কৰাৰ পিছত উজনিৰ ভাষাৰূপত স্বাভাৱিকতেই এটা প্রভাৱ পৰিছিল। অসমীয়া নান্ত্যর্থক 'ন' সমীভূত হোৱা পদ্ধতি এনে এটা উদাহৰণ।

গোৱালপৰীয়া উপ-ভাষা সৃষ্টিত ৰাজনৈতিক, ভৌগোলিক আৰু সাংস্কৃতিক কাৰণে প্রধান ভূমিকা লৈছিল। কোচবংশৰ প্রত্যক্ষ শাসন, তিব্বত-বর্মী ভাষিক গোষ্ঠীৰ জনসংখ্যাৰ প্রাধান্য, পশ্চিমৰ বাংলা ভাষাৰ প্রভাৱ, অসমৰ পূব খণ্ডৰ সৈতে যাতায়তৰ অসুবিধা ইত্যাদি কাৰণত গোৱালপৰীয়া উপভাষাৰ সৃষ্টি হৈছে।

বর্তমান অসমৰ মান্য-ভাষা শিৱসাগৰ অঞ্চলৰ কথিত ৰূপৰ ওপৰত গঢ় লোৱা। বহল অর্থত ক'বলৈ গ'লে, বৃটিছসকল অসমলৈ অহাৰ আগতে শিক্ষাৰ কেন্দ্রস্থল আছিল নামনি অসম। শংকৰদেৱ আৰু তেওঁৰ ছায়া-প্রচ্ছায়াৰ কবিসকলে নামনি অসমতে সাহিত্য-চর্চা কৰিছিল। সপ্তদশ শতিকাৰ পৰা আহোম ৰাজসভাতো সাহিত্য চর্চা হ'বলৈ ধৰে যদিও নামনিৰ প্রভাৱ কমা নাছিল। ১৮৩৬ চনত আমেৰিকাৰ বেপ্টিছ মিছনাৰীসকলে শিৱসাগৰক কেন্দ্রস্থল হিচাপে বাছি লোৱাৰ পিছৰ পৰাহে ৰূপটো আয়ত্ত্ব কৰি অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আদি উলিয়ায়। ১৮৪৬ চনত 'অৰুনোদই' বার্তালোচনী ওলোৱাৰ পাছত উজনিৰ ভাষা অসমৰ সামূহিক কাম-কাজ চলাবৰ কাৰণে মান্যৰূপ হোৱাটো নিশ্চিত হয়। এই সময়তে কেইবাজনো স্বনামধন্য লিখকো উজনিৰ পৰা ওলায়। ফলত উজনিৰ ভাষাৰূপেই মান্যভাষা হিচাপে স্বীকৃত হয়।

৫.০২ কামৰূপী উপ-ভাষা ঃ

কামৰূপী উপ-ভাষাৰ আঞ্চলিক বৈশিষ্ট্য অলেখ। পলাশবাৰী বা ছয়গাঁৱৰ ভাষা-ৰূপৰ সৈতে নলবৰীয়াৰ পার্থক্যৰ কাৰণ বুজিব পাৰি; কিন্তু একে নলবৰীয়াৰে পূব-নলবাৰী আৰু পশ্চিম নলবাৰীৰ ভাষাৰ মাজত পার্থক্য দেখা যায়। বজালীৰ সৈতে বৰপেটীয়া নিমিলে। ইমান ঠেক পৰিসৰতে অতবোৰ পার্থক্য কিয় হ'ল কোৱা টান। ক'ৰবাত যদি ৰাজনৈতিক কাৰণে ক্রিয়া কৰিছে, আন ক'ৰবাত জনগাঁথনিৰ প্রক্রিয়াই। তলত এনে আঞ্চলিক ৰূপ ভেদ কিছুমানৰ আলোচনা কৰা হ'ল।

(১) ধ্বনিৰ ক্ষেত্রত আঞ্চলিক ৰূপবোৰৰ পার্থক্য নাই। স্বৰ-ধ্বনি সাতটা। মান্য অসমীয়াৰ অ' ধ্বনি কামৰূপীত নাই। বিশিষ্ট ব্যঞ্জন-ধ্বনি একৈশটা। কিন্তু পলাশবাৰীৰ উপ-ভাষাত 'ঝ' বিশিষ্ট ধ্বনি— আনবোৰত আনকি উচ্চাৰণো নাই। যেনে— জাৰ, ঝাৰ। আনহাতে 'ঝ'ৰ প্রয়োগ পলাশবাৰীত ব্যাপক। যেনে—

পলাশবাৰী	পশ্চিম নলবাৰী
ঝুলিয়া (মিঠৈ)	জুইলা (মিঠৈ)
ঝেক	জেক (চেকনি)
ঝালুক	জালুক
ঝাপি	জাপি
ঝাৰু	জাৰু
ঝাক	জাক

ছয়গাঁও, নলবাৰী ভাষাৰ ধ্বনিগত বৈশিষ্ট্য দুটামানৰ আভাস তলত দিয়া হ'ল—

(ক) আদি অক্ষৰৰ প্ৰবল শ্বাসাঘাতৰ বাবে নলবাৰী বা বৰপেটাৰ শব্দত পৰৱতী স্বৰ-ধ্বনি লোপ পায়, ছয়গাঁৱত নাপায়। 'অ' থাকিলে-এ- বা -ও- হয়। যেনে—

মান্য অসমীয়া	ছয়গাঁও	নলবাৰী	বৰপেটা
কঁপনি	কপোনি	কপনি	কপ্‌নি / কাপনি
চালনী	চাৰেলি	চাল্‌ঙি / চাঙলি	চাল্‌ঙি
ভঁৰাল	ভাখেৰি	ভাখৰি	ভাক্‌ৰি

(খ) আনহাতে কিছুমান শব্দত ছয়গাঁৱৰ ভাষাত মধ্যস্থানত 'আ' পোৱা যায়, য'ত মান্য অসমীয়াত 'অ' আৰু কামৰূপৰ নলবৰীয়া বা বৰপেটীয়া লোপ পায়। যেনে—

মান্য অসমীয়া	ছয়গাঁও	নলবাৰী	বৰপেটা
অমৰা	আমাৰা	আম্‌ৰা	আম্‌ৰা
ভোমোৰা	ভমৰা	ভম্‌ৰা	ভম্‌ৰা
মেখলা	মেখালা	মেখ্‌লা	মেখ্‌লা

ছয়গাঁও অঞ্চলৰ কিছুমান ৰূপ মান্য অসমীয়াৰ সৈতে একে। যেনে— চুৰুণী, বাদুলি, কুকুৰা।

(গ) মান্য অসমীয়া, নলবৰীয়া, বৰপেটীয়া ভাষাৰূপত 'ঙ' থকা ঠাইত ছয়গাঁও, পলাশবাৰীয় অনুনাসিক (চন্দ্ৰবিন্দু) হয়। যেনে—

মান্য অসমীয়া	ছয়গাঁও	নলবাৰী	বৰপেটীয়া
বেঙা	বেঁৱা	বেঙা	বেঙা
টেঙা	তেৱাঁ	তেঙা	তেঙা
ৰঙা	ৰাৱাঁ	ৰাঙা	ৰাঙা

কেতিয়াবা (দুটাতকৈ অধিক অক্ষৰযুক্ত আৰু স্বৰ-মধ্যৱৰ্তী) ই লোপ পায় আৰু 'উ' এটাৰ আগম হয়। তলৰ ৰূপবোৰ চাওক—

মান্য	ছয়গাঁও	নলবাৰী	বৰপেটা
আঙুলি	আউলি	আউঙ্‌লি	আংলি, আউঙ্‌লি
বেঙেনা	ৰাওনা	বাঙ্‌না	বাংনা, বাউঙ্‌না

(ঘ) মান্য অসমীয়া, নলবৰীয়া আৰু বৰপেটীয়াৰ লগত ছয়গাঁৱৰ যুক্ত-ধ্বনিৰো পাৰ্থক্য আছে। যেনে ন্ধ > নহ

মান্য অসমীয়া	ছয়গাঁও	নলবাৰী	বৰপেটা
আন্ধাৰ	আন্‌হাৰ	আন্‌ধাৰ	আন্ধাৰ
সান্দহ	সান্‌হ	সান্দা	সান্দা
এলান্ধু	আন্‌হু	আন্ধু	আন্ধু
ন্দ > ছয়গাঁও 'ন' —বাকীত অপৰিৱৰ্তিত			
কন্দা	কানা	কান্দা	কান্দ
এন্দুৰ	এনুৰ	ইন্দুৰ	ইন্দুৰ

এনেদৰে চালে দেখা যায়, দক্ষিণপৰীয়া (পলাশবাৰী, ছয়গাঁও) আঞ্চলিক উপ-ভাষাৰ লগত উত্তৰপৰীয়া (নলবাৰী, বৰপেটা) উপ-ভাষাৰ ধ্বনিগত অলেখ পাৰ্থক্য আছে।

৫.০১ ৰূপতত্ত্ব ঃ

বহুবচন ঃ

বৰপেটা	নলবাৰী	ছয়গাঁও
গিলা	ওগ্লা	গিলা
গিলান	গিলা	
হুন	হুন	
হা	হা, হনা	হানা
হাত	হাত	হাত
চোব	চব	চব
মাখা	মাখা, মেখা	মাখা, মাখান
কেতা		
হপা, সপা		
হপ্‌ৰা, সপ্‌ৰা	সপ্‌ৰা	সপাৰা
থে	থে	চে, থে

উদাহৰণ ঃ

বৰপেটা ঃ আপি গিলা / গিলান / মাখা / কেতা, ছলিসপা, মখা, আহাৰ, তুহাৰ, আহুন, তাহুন, মামাথেৰ।

নলবাৰী ঃ বস্তু গিলা / মেখা / কেতা / সপা / তুহনাৰ, তোন্‌থেৰ, তুন্‌হা

ছয়গাঁও ঃ ইগিলা, মামাহাত, বাইচেৰ, মামাচেৰ, তহানা, কাপুৰ, সপাৰা, আপামাখা।

শব্দ বিভক্তি ঃ

	বৰপেটা	নলবাৰী	ছয়গাঁও/পলাশবাৰী
২য়া	ক' ক জা	কোক জা	কোক জা

৭ মী	কোত জা	কোত জা	কো জা
৫ মীঃ	কোৰ পেৰে	কোৰ পে, পেৰা	কোৰ ফেৰে
৪ থীঃ	কোক গেলি	কোক লগি	কোল্‌লেগি

পুৰুষবাচক সৰ্বনাম ঃ

মান্য	বৰপেটা	নলবাৰী	ছয়গাঁও
মই	মই	মই	মোই
তই	তই, তোই	তই	তোই
তুমি	তুমি	তুমি	
সি	সি	সি	সি

কিন্তু তীৰ্যক ৰূপ আৰু বহুবচনৰ ক্ষেত্ৰত পাৰ্থক্য বহুত যেনে—

ছয়গাঁও - পলাশবাৰী ঃ

মই- আমি (আমা-)
তোই- তহাত, তহনা
সি- সেহাত

নলবাৰী ঃ

মই- আমি (আম-)
তই- তুহ্ন (তুহা)
তুমি- তুহ্ন (তুহা)
তুন্‌থে (তোন)
আপ্‌নি- আপ্নালোক (আপ্না)
সি- তাহাত
সেহাত
তান্‌থে
তাই- তাহাত, তাহ্ন

বৰপেটা ঃ

মই- আমি (আম-)
তই- তুহ্ন (তুহ-)
তুমি- তুহ্ন (তুহা, তুমাহা)
সি- তাহ্ন (তাহা)

কালবাচক ক্ৰিয়া বিশেষণ ঃ

মান্য	নলবাৰী	বৰপেটা	পলাশবাৰী
এতিয়া	ইথান ইত্তে ইতা	এথেন	ইথান
কেতিয়া	কেইতা কিত্তে	কেথেন	কিথান
তেতিয়া	তেইতা তিত্তে	তেথেন	তিথান
যেতিয়া	জেইতা জিত্তে	তেথেন	জিথান

এনেদৰে চালে দেখা যাব, কামৰূপৰ আঞ্চলিক ৰূপবোৰৰ মাজত পাৰ্থক্য অলেখ। দক্ষিণপৰীয়া আঞ্চলিক ৰূপৰ লগত উত্তৰপাৰৰ পাৰ্থক্য স্পষ্ট। আনহাতে দক্ষিণপাৰৰ বহুতো বৈশিষ্ট্য বৰপেটাৰ লগত মিলে। কালবাচক ক্ৰিয়া-বিশেষণ, পুৰুষবাচক সৰ্বনামবোৰ ৰিজাই চালেই এই কথা স্পষ্ট হ'ব।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে একেটা আঞ্চলিক ৰূপৰ মাজতে চকুত পৰা অলেখ পাৰ্থক্য পোৱা যায়। নলবৰীয়া আঞ্চলিক ৰূপৰ তলত শব্দবোৰ ৰিজাই চাওক—

মান্য	নলবাৰী	দক্ষিণ নলবাৰী	পশ্চিম নলবাৰী
কঁকাল	ককল	কাকাল	কাকাল
পাৰ	পাৰ	পাউৰা	পাউৰা
নৰা	নৰা	নাউৰা	নাৰ
গামোচা	মুকচা	মক্‌চা	মুক্‌চা
ডাঙৰ	দাঙাৰ	দাহোৰ	দাঙাৰ

৫.০১ উজনি আৰু কামৰূপীৰ পাৰ্থক্য ঃ

ডঃ কাকতিয়ে উজনিৰ ভাষাৰূপ একেটাই বুলি ধৰি লৈ আলোচনা কৰিছে। কিন্তু প্ৰকৃততে উজনিৰ ভাষাৰূপৰো পাৰ্থক্য আছে। শিৱসাগৰৰ সৈতে নগাঁৰৰ ভাষাৰ পাৰ্থক্য সুস্পষ্ট। আনকি গোলাঘাটৰ ভাষাও শিৱসাগৰৰ সৈতে সম্পূৰ্ণ নিমিলে। এই বিষয়ে যিহেতু অধ্যয়ন হোৱা নাই, সেইবাবে আমি মান্যৰূপটোৰ সৈতেহে পাৰ্থক্য দেখুৱাম।

কামৰূপী উপ-ভাষাৰো বৰপেটীয়া (বৰপেইটা), নলবৰীয়া (নলবেইৰা), পাতিদৰং, পলাশবৰীয়া (পলাশবেইৰা) আদি ভাগ আছে। উজনিৰ ভাগবোৰৰ তুলনাত কামৰূপৰ ভাগবোৰ অধিক স্পষ্ট।

৫.০১.১ ধ্বনিতাত্ত্বিক পাৰ্থক্য ঃ

(১) মান্য অসমীয়াত শ্বাসাঘাত শব্দৰ মধ্যৱৰ্তী স্থানত (ডঃ কাকতিৰ মতে উপধা অক্ষৰত) পৰে। কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰে।

(২) কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত প্ৰবল শ্বাসাঘাত পৰা বাবে অব্যৱহৃত পৰৱৰ্তী স্বৰধ্বনি লোপ পায়। যেনে —

উজনি	কামৰূপী
কুকুৰা	কুক্‌ৰা
কোমোৰা	কুম্‌ৰা
অমৰা	আম্‌ৰা
কটাৰী	কাট্‌ৰি, কট্‌ৰি
দমৰা	দাম্‌ৰা ইত্যাদি।

(৩) কামৰূপী উপভাষাত অপিনিহিত এটা বিশিষ্ট লক্ষণ। উজনিত অপিনিহিত প্ৰায় নায়েই। যেনে—

উজনি	কামৰূপী
হালোৱা	হাউইলে, হাউলে
জালোৱা	জাউইলে, জাউলে
বামুণীয়া	বাউইন্না
কেৱলীয়া	কেউইলা, কেউলা
কলীয়া	কঅইলা
দেউলীয়া	দেউইলা ইত্যাদি।

(৪) উজনিৰ উপ-ভাষাটোত দুটা 'আ' ধ্বনি ওচৰা-ওচৰিকৈ থাকিলে তাৰে প্ৰথমটো প্ৰায়েই 'অ' হয়। কামৰূপীত একে থাকে। যেনে—

উজনি	কামৰূপী
কণা	কানা
চকা	চাকা
তৰা	তাৰা
ৰজা	ৰাজা
কঁহাৰ	কাহাৰ
কমাৰ	কামাৰ
কঁকাল	কঁকল, কাকাল ইত্যাদি।

উজনিৰ উপভাষাত নতুনকৈ গ্ৰহণ কৰা শব্দৰ ক্ষেত্ৰত প্ৰথমটো 'এ' হোৱাৰ ধ্বনি প্ৰবৃত্তি দেখা গৈছে। যেনে— জাগা > জেগা, চাধা > চেধা আদি।

(৫) উজনিত পদৰ শেষত থকা দ্বিস্বৰ 'ঐ' আৰু 'ঔ' কামৰূপীত যথাক্ৰমে 'এ' আৰু 'ও' হয়।

	উজনি	কামৰূপী
ঐ > এ-	আখৈ	আখে
	জাকৈ	জাখে
	কৰ্দৈ	কৰদে, কদ্দে
	গৰৈ	গৰে
	কাৰৈ	কৰে, কএ
ঔ > ও-	কাবৌ	কাবো
	টকৌ	টকো
	হলৌ	হলো
	ভাটৌ	বাতো

(৬) বিকাশৰ দিশৰ পৰা কামৰূপীত থকা মহাপ্ৰাণ ধ্বনিও উজনিত অল্পপ্ৰাণ হয়। যেনে—

উজনি	কামৰূপী
চকু	চখু
হাতী	হাথী
ভোক	ভখ, ভুখ, ভোখ
ভাঁপ	ভাফ
ঠোঁট	থুথ ইত্যাদি

(৭) উজনিৰ মধ্য স্বৰধ্বনি কামৰূপীত উচ্চ হিচাপেই থাকে। যেনে—

উজনি	কামৰূপী
এন্দুৰ	ইন্দুৰ
সেন্দুৰ	সিন্দুৰ
সেওঁতা	সিয়াতা
কাপোৰ	কাপুৰ
সাঁতোৰ	সাতুৰ
মাকো	মাকু ইত্যাদি

৫.০১.২ ৰূপতাত্ত্বিক পাৰ্থক্য ঃ

(১) উজনি আৰু কামৰূপীৰ বহুবচনৰ চিনবোৰ বেলেগ বেলেগ —

উজনি	কামৰূপী
বস্তুবোৰ	বস্তুগিলা, মাখা, মেখা
মানুহবিলাক	মানহুগিলা, গিলাক, গিলান
এইবোৰ	ইগলা, এংলা
সেইবোৰ	সেগলা, সেংলা ইত্যাদি।

(২) স্থানবাচক আৰু কালবাচক সৰ্বনামবোৰ বেলেগ বেলেগ। যেনে —

উজনি	কামৰূপী
এতিয়া	ইত্তে, ইতা, ইতে, এথান
তেতিয়া	তিত্তে, তিতে, তেথান
যেতিয়া	যিত্তে, যেথান
এইফালে	ইফ্‌লে, অহয়, অহায়
কোনফালে	কহয়, কহায়
সেইফালে	সিফ্‌লে, সহয়, সহায় ইত্যাদি।

(৩) ব্যক্তিবাচক সৰ্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। যেনে—

উজনি	কামৰূপী

ইহঁত, এওঁলোক	আহ্ন, আন্হা
ইহঁতে	আহ্ন, আহ্নাই, এন্থে
সিহঁত, তেওঁলোক	তাহ্ন, তান্হা
তহঁত, তোমালোক	তুহ্ন, তোনথে, তন্থে, তুনহা
সিহঁতে	তাহ্ন, তানথে, সেন্থে

(৪) উজনিৰ চতুৰ্থী বিভক্তিৰ ঠাইত কামৰূপী দ্বিতীয়া বা সপ্তমী বিভক্তি হয়।

যেনে —

উজনি	কামৰূপী
কলৈ গৈছে	ক'ত গেইছি, ক'ক গেইছি
চিলঙলৈ গ'ল	চিলঙক গেল
কলৈ যাবা	ক'তু যাবা, ক'ক যাবা ইত্যাদি।

৫.০১.৩ শব্দগত পাৰ্থক্য

ঘৰুৱা শব্দ

উজনি	**কামৰূপী**
চোতাল	চতল্
বৰষুণ	বইৰ্হান
পিৰালি	কাথি
পথাৰ	পাথাৰ, পথৰ
হেতা	কৰছ
বাৰিষা	বাইৰ্হা ইত্যাদি।

৫.০১.৩.১ সম্বন্ধবাচক শব্দ

উজনি	**কামৰূপী**
খুড়া	খুৰা, খুততা, খুততি
নবৌ	বৌ
জোঁৱাই	জাউঙে, জঙে
বোৱাৰী	ব'ৰি
ল'ৰা	আপা, ল'ৰা
ছোৱালী	আপী, মাই
বৰজনা	ভাই-শহুৰ
গিৰিয়েক	লালাক
ঘৈণীয়েক	ঘৈন্নাক, মাইহ্নাক ইত্যাদি।

৫.০১.৩.২ ফল-মূল ঃ

নেমু	তুইল্লা

জলকীয়া	ভিজলুক, ভজলুক
অমিতা	মইদ্যল্ল
মধুৰী আম	সোইফৰম, সোফৰাম
জলফাই	জল্পে
লেতেকু	লেতুক

৫.০১.৩.৩ ফুল ঃ

শেৱালি	পাইনপিপ্‌লি, পাইনপেলি
নাৰ্জি	গেন্ধা, গেন্ধে

৫.০১.৩.৪ চৰাই ঃ

কপৌ	কুপ্তি
ঘনচিৰিকা	চোকা
দহিকতৰা	দেওকাত্ৰা, গোবৰথেইপা
পইতাচ'ৰা	তেলভৌকা
বৰটোকোলা	ধদং
শৰালি	শাল্লি, ইত্যাদি।

৫.০২ গোৱালপৰীয়া উপ-ভাষা ঃ

অসমৰ একেবাৰে পশ্চিম অঞ্চলৰ উপ-ভাযাটোৰ নাম গোৱালপৰীয়া উপ-ভাষা। এই উপ-ভাষা কোৱা অঞ্চলটো আগৰ অবিভক্ত গোৱালপাৰা জিলা (এতিয়া গোৱালপাৰা, ধুবুৰী আৰু কোকৰাঝাৰ জিলা) আছিল বাবে ই গোৱালপৰীয়া উপ-ভাষা নামে জানাজাত। অবশ্যে স্থানীয় মানুহে ইয়াক ৰাজবংশী, ৰংপুৰী আৰু দেশী নামেৰেও বুজায়। গোৱালপাৰাৰ (অবিভক্ত) অধিকাংশ লোকে 'দেশী-কথা' নামটোহে ব্যবহাৰ হোৱাটো বিচাৰে। দুই-একে 'কমতাই ভাষা' বুলি ক'ব খোজে।

গ্ৰীয়াৰ্ছনেই সম্ভৱতঃ পোন প্ৰথমে 'ৰাজবংশী' শব্দটো ব্যবহাৰ কৰিছিল— "When we crossed the river (Brahnaputra), coming from Dhakha, we met a well-marked speech in Rangpur and the districts to its North and East. It is called Rajbangshi and while undoubtedly belonging to the eastern branch, has still points of difference which lead us to class it as a seperate dialect." (LS 9, vol-I, part- I)

ৰাজবংশীসকলে প্ৰকৃততে আৰ্যমূলক নে তিব্বত-মংগোলীয় সেই বিষয়ে মতভেদ আছে। কিন্তু বিশ্বসিংহই প্ৰতিস্থা কৰা কোচৰাজ্যৰ ৰজাসকলৰ বংশধৰসকলে এতিয়াও নিজকে ৰাজবংশী বুলি পৰিচয় দিয়ে। আনহাতে ৰাজবংশী বুলি পুৰণি কমতা আৰু কোচ ৰাজ্যৰ অন্তৰ্গত বিস্তীৰ্ণ অঞ্চলত চলিছিল। ভাষাভিত্তিক ৰাজ্য পুনৰ্গঠন প্ৰক্ৰিয়া আৰু ভাৰতবৰ্ষৰ বিভাজনৰ ফলত ইয়াৰ বেছিভাগেই এতিয়া অসমত নাই। গতিকে বৰ্তমানৰ গোৱালপাৰা

অঞ্চলত চলা ভাষাৰূপক 'ৰাজবংশী' বোলাৰ যুক্তি নাই। ডঃ বাণীকান্ত কাকতিৰ মতে— "গোৱালপাৰা জিলাত কথিত ভাষাৰ লগত ৰাজবংশী উপভাষাৰ ব্যাপক মিশ্ৰণ ঘটা যেন লাগে। এই ৰাজবংশী উপভাষাটো কোচবিহাৰৰ কোচ ৰজাসকলৰ দিনত ক্ৰম-বিকশিত হৈছিল।

আনহাতে 'দেশী-ভাষা', 'দেশ-ভাষা' শব্দটো আচলতে স্থায়ীভাৱে প্ৰচলিত ভাষা অৰ্থতহে ব্যৱহাৰ কৰা হৈছিল। পীতাম্বৰক যুৱৰাজ চিলাৰায়ে দিয়া আদেশত 'দেশ-ভাষা' শব্দই ৰাজবংশী বা গোৱালপৰীয়া অৰ্থ কৰা নাই— কৰিছে, গোৱালপাৰাকে ধৰি অসমৰ ভাষাহে। কাৰণ, তেতিয়ালৈ আমাৰ ভাষাটো নামকৰণেই হোৱা নাই। পীতাম্বৰৰ ভাষাও নিভাঁজ গোৱালপৰীয়া নহয়।

এনেবোৰ কথা চকুৰ আগত ৰাখিয়েই আমি ইয়াক গোৱালপৰীয়া উপ-ভাষা নামেৰে নামকৰণ কৰাটো সমীচীন বুলি ভাবোঁ। মনত ৰখা ভাল, এই ভাষা গোৱালপাৰাৰ সকলো শ্ৰেণীৰ ভাষা- কেৱল ৰাজবংশীসকলে ব্যৱহাৰ নকৰে। দুই-একৰ মতে আকৌ "দেশী-ভাষা" আচলতে গৌৰীপুৰ অঞ্চলৰ ভাষা আৰু এই ভাষাৰে বিস্তৃতি ঘটি বৈশিষ্ট্যসহ সমগ্ৰ গোৱালপাৰাত বিয়পি কৰিছে।

গোৱালপৰীয়া উপ-ভাষাৰ প্ৰধান আঞ্চলিক ৰূপ দুটা— পুব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া। এই দুটাৰো আকৌ সৰু সৰু আঞ্চলিক ৰূপ আছে। ৰেখাচিত্ৰৰ সহায়ত কথাখিনি এনেদৰে বুজাব পাৰি—

পুব গোৱালপৰীয়াৰ কামৰূপীৰ পশ্চিম অঞ্চলৰ সৈতে বহু সাদৃশ্য আছে। এনে মিল ওচৰা-ওচৰি ভাষাৰূপ বুলিয়েই অকল নহয়। দুয়োটা অঞ্চলৰ মাজৰ বাণিজ্যিক লেনদেন, বিয়া-বাৰু সম্পৰ্ক— চমু কথাত সঘন মিলামিছা এনে সাদৃশ্যৰ অন্যতম কাৰণ। পুব গোৱালপৰীয়াৰ সৰু সৰু ভাষাৰূপৰ থলুৱা নামো আছে। যেনে— হাব্‌ৰাঘটীয়া, বাৰহাজাৰী, বাউসীয়া ইত্যাদি। এইবোৰৰ ভিতৰত বাৰহাজাৰীসকলৰ উপ-ভাষাগত ভেম আছে আৰু নিজৰ ভাষাৰূপক আনবোৰতকৈ উচ্চ বুলি বাবে।

পশ্চিম গোৱালপৰীয়াৰ আঞ্চলিক ৰূপ দুটা— গৌৰীপুৰ আৰু শালকোছীয়া। স্থায়ীভাৱে গৌৰীপুৰীয়া ৰূপটোক 'ঘুল্লীয়া' আৰু শালকোছীয়া ৰূপটোক 'ঝাৰুৱা' বুলি কোৱা হয়। তুলনামূলকভাৱে শালকোছীয়া ৰূপটো পুব গোৱালপৰীয়াৰ সৈতে অধিক মিলে।

তলত আমি গোৱালপৰীয়াৰ কিছুমান বৈশিষ্ট্যৰ কথা আলোচনা কৰিলোঁ—

৫.০২.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) বিশিষ্টি স্বৰধ্বনি ঃ

গোৱালপৰীয়া উপ-ভাষাত বিশিষ্ট স্বৰধ্বনি সাতটা। যেনে— ই, এ, এ, আ, অ, ও, উ। দুই-একে 'অ' বিশিষ্ট ধ্বনিৰ কথা কৈছে যদিও সম্ভৱতঃ ই পৰিবেশজনিত ৰূপহে। এই অনুক্ৰম বৰ্ণকেইটাৰ লগত উপহিত বৰ্ণ স্বৰৰ অনুনাসিকতৰ আছে। মান্য অসমীয়াৰ দৰে স্বৰৰ অনুনাসিতা গোৱালপৰীয়াতো বিশিষ্ট ধ্বনি বা বৰ্ণ। এইবোৰ তালিকাত এনেদৰে দেখুৱাব পাৰি—

জিভাৰ স্থান	সন্মুখ	মধ্য	পশচ
ওঁঠৰ আকৃতি	বিবৃত্তৌষ্ঠ্য	পূৰ্ণ বিবৃত্তৌষ্ঠ্য	সংবৃত্তৌষ্ঠ্য
জিভাৰ অৱস্থান			
উচ্চ	ই		উ
উচ্চ মধ্য	এ'		ও
মধ্যনিম্ন	এ		অ
নিম্ন	এ	আ	

দ্বিস্বৰ ধ্বনি ঃ

এউ—	জিউ	জীৱ
এই—	সেইতা	সেইটো
এউ—	ভেউ	কুকুৰ চিঞৰ
ইএ'—	বিএ'নি	বিয়নী
ইআ—	শিআল	শিয়াল
আই—	গৰাই	গৰৈ
আও—	বাও	বতাহ
আউ—	চাউল	
এও—	দেওআ	মেঘ
অ'ই—	স'ই	সখী
ওই—	কোই	কাৰৈ
উই—	পুই	পুৰৈ

ত্ৰিস্বৰ ঃ

ইএই—	শিএই	সীয়ে
এউআ—	দেউআ	বতৰ
এওআ—	খেওআ	পাৰঘাট
আওৱা—	ছাওআ	সন্তান
আউআ—	কাউআ	কাউৰী
আইও—	কাইও	কোনেও

চাৰিটা স্বৰ ঃ

আওআএ—	খাওআএ	খুৱায়

পাঁচটা স্বৰ ঃ

আওআইআ—	ভাওআইআ	এবিধ গীত
	খাওআইআ	খাওঁতা

ব্যঞ্জনবৰ্ণ ঃ

গোৱালপৰীয়া উপভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি ২৯ টা (ধীৰেন্দ্ৰনাথ দাস- The Dialect of Goalpara and Kamrup : A comparative Analysis) । সেইবোৰ হ'ল— প, ফ, ব, ভ, ত,থ,দ,ধ, ট,ঠ, ড,ঢ, ক,খ, গ, ঘ, চ, ছ, জ, ঝ, ম, ন, ঙ, ৰ, শ, হ, ৱ, য়। ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে ইয়াৰে 'ৱ' আৰু 'য়' বাদ দিছে আৰু 'ড়' আৰু 'স'ক বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিছে। ডি দাসে The Kamtai Language- ত 'ড়' আৰু 'স'ক স্বীকৃতি দিয়া নাই। প্ৰাপ্ত তথ্যবোৰ বিশ্লেষণ কৰিলে আমি এইবোৰকহে বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিব লগা হয়—

/প/	দ্বৌষ্ঠ্য	অঘোষ	অল্পপ্ৰাণ	স্পৰ্শ
/ফ/	"	"	মহাপ্ৰাণ	"
/ব/	"	সঘোষ	অল্পপ্ৰাণ	"
/ভ/	"	"	মহাপ্ৰাণ	"
/ত/	দন্ত্য	অঘোষ	অল্পপ্ৰাণ	"
/থ/	"	"	মহাপ্ৰাণ	"
/দ/	"	সঘোষ	অল্পপ্ৰাণ	"
/ধ/	"	"	মহাপ্ৰাণ	"
/ট/	মূৰ্ধন্য	অঘোষ	অল্পপ্ৰাণ	"
/ঠ/	"	"	মহাপ্ৰাণ	"
/ড/	"	সঘোষ	অল্পপ্ৰাণ	"
/ঢ/	"	"	মহাপ্ৰাণ	"

/ক/	কণ্ঠ্য	অঘোষ	অল্পপ্ৰাণ	"
/খ/	"	"	মহাপ্ৰাণ	"
/গ/	"	সঘোষ	অল্পপ্ৰাণ	"
/ঘ/	"	"	মহাপ্ৰাণ	"
/চ/	তালব্য-দন্ত্যমূলীয়	অঘোষ	অল্পপ্ৰাণ	"
/ছ/	"	"	মহাপ্ৰাণ	"
/জ/	"	সঘোষ	অল্পপ্ৰাণ	"
/ঝ/	"	"	মহাপ্ৰাণ	"
/ম/	ঔষ্ঠ্য/নাসিক্য	সঘোষ	অল্পপ্ৰাণ	"
/ন/	দন্ত্য/ "	"	"	"
/ঙ/	কণ্ঠ্য/ "	"	অল্পপ্ৰাণ	"
/ল/	দন্ত্যমূলীয় পাৰ্শ্বিক	"		
/ৰ/	" তাড়িত	"		
/শ/	পশ্চ দন্ত্যমূলীয় উষ্ম, অঘোষ			
/হ/	কণ্ঠনালীয় ঘৃষ্ট	সঘোষ		

৫.০২.৩.১ প্ৰয়োগৰ উদাহৰণ ঃ

প	পাটা	মৰাপাট
ফ	ফাটা	ফটা
ব	বাৰি	ঘৰ
ভ	ভাৰি	গধুৰ
ত	তালা	তলা
থ	থালা	থাল
দ	দান	দান
ধ	ধান	ধান
ট	টেঙা	টেঙা
ঠ	ঠেঙা	টাঙোন
ড	ডাক	মাত
ঢ	ঢাক	ঢাক
ক	কাটা	কাঁইট
খ	খাটা	ককিলা মাছ
ঘ	ঘাও	ঘা
চ	চাতি	চাকি

ছ	ছাতা	ছাতি
জ	জাৰ	জাৰ
ঝ	ঝাৰ	বননি
ম	মাল	মাল
ন	নাল	ৰঙা
ঙ	আদি প্ৰয়োগ নাই	
ল	লাগ	লগ
ৰ	ৰাগ	
শ	শাৰি	শাৰী
হ	হাৰি	মাটিৰ পাত্ৰ

ওপৰৰ আলোচনাৰ পৰা দেখা যায় মান্য অসমীয়া বা কামৰূপীত নথকা দন্ত্য দন্তমূলীয়-মূৰ্ধন্য, তালব্য-দন্তমূলীয়া ধ্বনি গোৱালপৰীয়াত আছে। 'ঝ' গোৱালপৰীয়াত বিশিষ্ট ধ্বনি। অন্য কিছুমান বৈশিষ্ট্য এনে ধৰণৰ—

(i) কামৰূপী আৰু গোৱালপৰীয়া দুয়োটা উপ-ভাষাতে দুটা 'আ' ওচৰা-উচৰিকৈ থাকে। মান্য অসমীয়াত ইয়াৰে প্ৰথমটো 'অ' হয়। যেনে—

মান্য অসমীয়া	গোৱালপৰীয়া	কামৰূপী
কণা	কাণা	কানা
তৰা	তাৰা	তাৰা
ৰজা	ৰাজা	ৰাজা
চকা	চাকা	চাকা
মদাৰ	মাদাৰ	মাদাৰ
টকা	টাকা	তাকা

(ii) মান্য অসমীয়াত অন্ত্যত থকা 'ই', গোৱালপৰীয়াত 'আ' ঃ কামৰূপীৰ সৈতে গোৱালপৰীয়া মিলে। যেনে-

মান্য অসমীয়া	গোৱালপৰীয়া	কামৰূপী
বালি	বালা	বালা
ছাতি	ছাতা	চাতা
গুড়ি	গুড়া	গুৰা
ঢাৰি	ঢাৰা	ধাৰা

(iii) আদি অক্ষৰ এ (মান্য অসমীয়াৰ) গোৱালপৰীয়া আৰু কামৰূপীত 'ই' হয়। যেনে—

এন্দুৰ > ইন্দুৰ

সেন্দুৰ > সিন্দুৰ

সেঙুন > শিএনি (গো), সিয়ান (কাম)

(iv) মান্য অসমীয়াৰ 'অ' গোৱালপৰীয়াত কেতিয়াবা 'উ' আৰু ও > উ হয়। যেনে—

মই > মুই

তই > তুই

কাপোৰ > কাপুৰ

(v) পদান্তৰ ঐ > আই, যেনে-

মান্য অসমীয়া	কামৰূপী	গোৱালপৰীয়া
গৰৈ	গৰে	গৰাই
তাৰৈ	তাৰে	তাৰাই
মিঠৈ, মিঠাই	মিঠে	মিঠাই
আঢ়ৈ	আৰে	আৰাই

(vi) পদান্তৰ ও > উ, যেনে-

গাঁও > গাউ

তেওঁ > তেঁউ

(vii) শব্দৰ আদিত থকা 'ৰ' গোৱালপৰীয়াত কেতিয়াবা লোপ পায়। যেনে—

ৰং > অং

ৰাজা > আজা

ৰাক্ষক > আইক্কশ

ৰাতি > আতি, আইতা

ৰ'দ > অইত

৫.০২.৪ ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(iii) নিৰ্দিষ্টতাবাচক প্ৰত্যয় এইবোৰ—

টা, ডা	ঃ	হাতটা, কোনডা, চেংৰিটা
জাল্‌না	ঃ	ভাত জাল্‌না (ভাতখিনি)
পাইলে	ঃ	তৰকাৰি পাইলে (.....খিনি)
ছৰি	ঃ	কলাছাৰি (......আখি)
কোনা	ঃ	নাককনা (....টো)
চাকা	ঃ	আমচাকা (.....চকল)
বাদা	ঃ	কলবাদা (কল থোকা)
খান	ঃ	বোইখান (কিতাপখন)

লাদা	ঃ	গোবৰলাদা (গোবৰ লদা)
বোঝা	ঃ	বাশ বোঝা (বাঁহ বোজা)
চোৰী / পিৰ / চোৰি ঃ		কলাপিৰ (কলথোক)
টুক্ৰা	ঃ	মাস টুকুৰা (মাছ টুকুৰা)
মুটা	ঃ	চাউল মুটা (চাউল মুঠি)
ঝাক	ঃ	পোখিঝাক (পখীজাক)
চিৰ	ঃ	কম্ৰাচিৰ (কোমোৰা ডোখৰ)
গুটিক	ঃ	ধানগুটিকা (ধানখিনি)
চালটা	ঃ	বাহচালটা (বাহচটা)

এইবোৰৰ লগতে থাম্চা, হাইল্চা, শাঁজ (সাজ), ঝোপা, বোঝা, টোপা, খান, মুটা (মুঠি), পাল আদিৰো ব্যৱহাৰ আছে।

৫.০২.৫ (vii) বচন ঃ

গোৱালপৰীয়া উপভাষাত বচন দুটা— একবচন আৰু বহুবচন। বচন নিৰপেক্ষ ৰূপবোৰত প্ৰত্যয় লগ লগাই বচন নিৰ্দেশ কৰা হয়। বচন ব্যাকৰণগত নহয়। এই বৈশিষ্ট্যবোৰ মান্য অসমীয়াৰ সৈতে একে, কিন্তু বহুবচনৰ প্ৰত্যয়বোৰ বেলেগ বেলেগ। যেনে—

(১) গুলা / গুলান ঃ কামৰূপী উপ-ভাষাৰ গিলা, গিলাক, গিলানৰ সৈতে একে। কিন্তু গৌৰীপুৰীয়াত তুচ্ছাৰ্থত 'গুলা' আৰু মান্যাৰ্থত 'গুলান' প্ৰয়োগ হোৱা দেখা যায়।

গুলা / গিলা আদি গঠনবোৰ অসমীয়াৰ ভগ্নীভাষা বাংলা আৰু উৰীয়াতো পোৱা যায়। ডঃ কাকতিৰ মতে— "খুব সম্ভৱ-গুলা, -গিলা সম্পূৰ্ণৰূপে একো একোটা বেলেগ গঠন আৰু ইহঁত বেলেগ মূলৰ পৰা অহা। -গুলা দেশীমূলৰ......।" গোৱালপৰীয়াত ইয়াৰ প্ৰয়োগ-

মান্‌শিগুলা (মানুহগিলা)
মান্‌শিগুলান (মানুহবিলাক)
গোৰুগিলা (গৰুবোৰ)
এইগুলা / গিলা (এইবোৰ) ইত্যাদি।

(২) হৰ / ঘৰ ঃ মান্য অসমীয়াৰ 'হঁত'ৰ সৈতে ইয়াৰ হুবহু মিলে। কোনো দল, ব্যৱসায়, জাতি আদিৰ অন্তৰ্গত বুজালে হৰ/ ঘৰ ব্যৱহাৰ কৰা হয়। যেনে—

কামাৰহৰ (কামাৰহঁত)
কৃষ্ণহৰ / ঘৰ (কৃষ্ণহঁত) ইত্যাদি।

সম্বন্ধ বুজোৱা অৰ্থত কামৰূপীত 'আহুন'/ 'হুন' য'ত লগ লাগে গোৱালপৰীয়াত 'হৰ/ ঘৰ' লগ লাগে। যেনে-

গোৱাল	কাম	মান্য
বাবাহৰ/ ঘৰ	বাপাআহুন	দেউতাহঁত
মাওহৰ/ ঘৰ	আইআহুন	আইহঁত ইত্যাদি।

গালি পৰা অৰ্থত জন্তুবাচক শব্দৰ পিছত হৰ/ ঘৰ লগ লাগে। যেনে—

গোৱাল	কাম	মান্য
কুকুৰহৰ/ ঘৰ	কুকুৰহাত	কুকুৰহঁত
গোৰুহৰ/ ঘৰ	গোৰুহাত	গৰুহঁত ইত্যাদি।

(৩) -ৰা ঃ -ৰা সৰ্বনামৰ তিৰ্যক ৰূপৰ পাচত লগ লাগে। যেনে—

আম্/ আমি	আম্ৰা / আমিবা
তোম/ তুম	তোম্ৰা/ তুম্ৰা ইত্যাদি।

গোৱালপৰীয়া উপ-ভাষাত শব্দৰ আগত সমষ্টিবোধক 'মেল্লা', 'সোগ', 'স'গায়' আদি ব্যবহাৰ কৰিও বহু বচনৰ ধাৰণা দিয়া হয়। যেনে—

মেল্লা ঃ বিশেষ্য শব্দৰ আগত ব্যবহাৰ হয়। যেনে—

মেল্লা মান্‌শি (বহুত মানুহ)
মেল্লা তাৰা (বহুত তৰা) ইত্যাদি।

সোগ ঃ বিশেষ্য, বিশেষণ আৰু সৰ্বনামৰ আগত ব্যবহাৰ হয়। মান্য অসমীয়াৰ 'সকলো', 'আটাই' ৰূপৰ ব্যবহাৰৰ সৈতে মিলে। যেনে—

সোগগুলা বেটা ছাৱা (সকলোবোৰ ল'ৰা)
সোগ ভাল (সকলোবোৰ ভাল) ইত্যাদি।

স'গায় ঃ মানুহৰ ক্ষেত্ৰত বিশেষ্য আৰু সৰ্বনামত ব্যবহাৰ হয়। প্ৰথমতে বহুবচনৰ -ৰা, -গুলা, -হৰ/ ঘৰ লগ লাগে আৰু তাৰ পাচত স'গায় ব্যবহাৰ হয়। যেনে—

আম্ৰা স'গাই খাইম (আমি সকলোৱে খাম)
উম্ৰা স'গাই আইচ্চে (সিহঁত আটায়ে আহিছে)
মাওহৰ / ঘৰ স'গাই যাইবে (মাহঁত আটায়ে যাব) ইত্যাদি।

৫.০২.৬ লিংগ ঃ লিংগ প্ৰকৰণৰ ক্ষেত্ৰত মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়াৰ তেনেকৈ বিশেষ পাৰ্থক্য নাই। মান্য-অসমীয়াৰ দৰে আগত মতা বা মাইকী বাচক প্ৰয়োগ কৰি (মৰত ছাওৱা- মাইআ ছাওৱা), বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰি (দাম্ৰা-বকন) আৰু ই, নি, এনি, ইনি আদি স্ত্ৰী-প্ৰত্যয় ব্যবহাৰ কৰি লিংগভেদ কৰা হয়। তলত দুটামান উদাহৰণ দিয়া হ'ল —

পুংলিংগ	স্ত্ৰীলিংগ
পাৰা মৈশ (মতা ম'হ)	পাৰি মৈশ (মাইকী ম'হ)
জুআন (ডেকা)	গাবুৰ (গাভৰু)
ভাতাৰ (স্বামী)	মাইআ (স্ত্ৰী)

পাইৰা (মতা পাৰা) পাইৰি (মাইকী পাৰ)
বোকা (মতা পাৰা) বুকি (মাইকী পাৰ)
নাউআ (নাপিত) নাউআনি (নাপিতনী)
ভকত (ভকত) ভক্‌তেনি (ভকতনী)
বাগ (বাঘ) বাগিনী (বাঘিনী)

কেৱল পুংলিংগবাচক ৰূপ ঃ মদাৰু (মদাহী), ঘটক/ ভটাইত (ঘটক)
কেৱল স্ত্রীবাচক ৰূপ ঃ চানডানি (মাছবেচা পোহাৰি), আটকুৰা (বাজী) ধাএনি (ধাই) ইত্যাদি।

৫.০২.৭ কাৰক-বিভক্তি

গোৱালপৰীয়া উপ-ভাষাৰ শব্দ-বিভক্তি এনেধৰণৰ—

কর্তা-কাৰক ঃ ϕ এ, ই
কর্ম-কাৰক ঃ ϕ ক, -অক
সম্বন্ধ পদ ঃ -ৰ, -এৰ
অধিকৰণ ঃ -ত, -অত
পৰসর্গ সংযোগৰ দ্বাৰা ঃ
কৰণ ঃ ৰ দাৰা, ক দিআ
নিমিত্ত/ সম্প্ৰদান ঃ ৰ জোইন্নে
অপাদান ঃ ৰ থাকি, থাকিয়া, টাই, টাই হাতে
যেনে— হাস-এ- হাশে খাই
হাশ-অক- হাশক খাই
হাশ-অক-দিআ- হাশক দিআ (হাঁহেৰে)
হাশ-এৰ-জোইন্নে- হাশেৰ জোইন্নে (হাঁহলৈ)
হাশেৰ থাকি- (হাঁহৰ পৰা)
হাশ-অত- হাশত (হাঁহত)

৫.০২.৮ ক্রিয়া - বিভক্তি

কাল		স্বৰান্ত		ব্যঞ্জনান্ত	
(১) বর্তমান কাল	পুৰুষ	একবচন	বহুবচন	একবচন	বহুবচন
(ক) নির্দেশক ভাৱ	প্রথম	-ঙ	-ঙ/ই	-উঙ/অঙ	-অঙ/ ই
	২ য় তুচ্ছ	-ইশ	-ন	-ইশ্‌	-এন
	২ য় মান্য	-ন	-ন	-এন	-এন
	৩ য়	-এ'	-এ'	-এ	-এ
(খ) অনুজ্ঞা ভাৱ	১ম	-ঙ	-ঙ/ই	-উঙ/অঙ	-ই/অঙ
	২য় তুচ্ছ	-ϕ	-ϕ	- ϕ/এক	-ϕ/এন
	২য় মান	-ও/ন	-ও/ন	-এন	-এন
	৩য়	উক	উক	উক	উক
(২) পূর্ণ বর্তমান	১ম	-ইছুঙ/ইছঅ	-ছি	-ছুঙ/ছঙ	-ছি
	২য় তুচ্ছ	-ইছিশ	-ইছেন	-ছিশ	-ছেন
	২য় মান্য	-ইছেন	-ইছেন	-ছেন	-ছেন
	৩য়	-ইছে	-ইছে	-ছে	-ছে
(৩) ভূত কাল	১ম	-লুঙ/-ইলঙ	-লুঙ/ইলঙ	-লুঙা/লুঙ	লুঙ/লঙ
	২ য় তুচ্ছ	-লু/লি	-ইলেন	-লু/লি	-লেন
	২য় মান	-ইলেন	-ইলেন	-লেন	-লেন
	৩য়	-ইল	-ইল	-ইল	-ইল
	১ম	-ইম	-ইম/মু	ইম	ইম
	২য় তুচ্ছ	-বু/বি	-ইবেন	বু/বি	-বেন
	২ য় মান্য	-ইৰেন	-ইবেন	-বেন	-বেন
	৩য়	-ইবে	-ইবে	-বে	-বে

দুটা উদাহৰণ দিয়া হ'ল—

আ-কাৰান্ত $\sqrt{}$ যা-ধাতু
বর্তমান কাল

(ক) নির্দেশক ভাৱ

	একবচন	বহুবচন
১ম পুৰুষ	মুই জাঙ	আম্‌ৰা জাঙ/জাই
২য় পুৰুষ (তুচ্ছ)	তুই জাইশ	তুম্‌ৰা জান
২য় পুৰুষ (মান্য)	তোম্‌ৰা জান	তোম্‌ৰা জান
৩য় পুৰুষ	উৰ্‌াই জায়	উম্‌ৰা জায়

(খ) অনুজ্ঞা ভাৱ ঃ

	একবচন	বহুবচন
২ য় পুৰুষ (তুচ্ছ)	তুই জা	তুম্‌ৰা জা
(মান্য)	তোম্‌ৰা জান	তোম্‌ৰাগুলা জান

৩ য় পুৰুষ	উৰাই জাউক	উম্‌ৰা জাউক

(২) পূৰ্ণ বৰ্তমান কাল ঃ

১ম	মুই গেইছুঙ/ গেউছঙ	আমৰা গেইছি
২ য় (তুচ্ছ)	তুই গেইছিশ	তুম্‌ৰা গেইছেন
(মান্য)	তোম্‌ৰা গেইছেন	তোম্‌ৰাগুলা গেইছেন
৩ য়	উবাই গেইছে	উম্‌ৰা গেইছে

(৩) ভূত-কাল ঃ

১ম	মুই গেইলুঙ	আম্‌ৰা গেইলঙ / গেইলুঙ
২য় (তুচ্ছ)	তুই গেলু	তুম্‌ৰা গেইলেন
(মান্য)	তোম্‌ৰা গেইলেন	তোম্‌ৰাগুলা গেইলেন
৩য়	উৰাই গেইল	উম্‌ৰা গেইল

পূৰ্ণ ভূত-কাল ঃ

১ম	মুই গেইছিলুঙ	আম্‌ৰা গেইছিলুঙ
২য় (তুচ্ছ)	তুই গেইছিলু	তুম্‌ৰা গেইছিলেন
(মান্য)	তোম্‌ৰা গেইছিলেন	তোম্‌ৰাগুলা গেইছিলেন
৩য়	উৰাই গেইছিল	উম্‌ৰা গেইছিল

(৪) ভৱিষ্যত-কাল ঃ

১ম	মুই জাইম	আম্‌ৰা জাইম
২য় (তুচ্ছ)	তুই জাবু /জাবি	তুম্‌ৰা জাইবেন
(মান্য)	তোম্‌ৰা জাইবেন	তুম্‌ৰাগুলা জাইবেন
৩য়	উৰাই জাইবে	উম্‌ৰা জাইবে

ব্যঞ্জনান্ত √ শুন

বৰ্তমান কাল

নিৰ্দেশক ভাব ঃ

১ম	মুই শুনুঙ	আম্‌ৰা শুনি
২য় (তুচ্ছ)	তুই শুনিশ	তুম্‌ৰা শোনেন
(মান্য)	তোম্‌ৰা শোনেন	তোম্‌ৰাগুলা শোনেন
৩য়	উৰাই শোনে	উম্‌ৰা শোনে

অনুজ্ঞা ভাব ঃ

২য় (তুচ্ছ)	তুই শুন	তুম্‌ৰা শুন
(মান্য)	তোম্‌ৰা শোনেন	তোম্‌ৰাগুলা শোনেন
৩য়	উৰাই শুনুক	উম্‌ৰা শুনুক

পূৰ্ণ বৰ্তমান কাল

১ম	মুই শুনছুঙ	আম্‌ৰা শুনছি
২য় (তুচ্ছ)	তুই শুনছিশ	তুম্‌ৰা শুনছেন
(মান্য)	তোম্‌ৰা শুনছেন	তোম্‌ৰাগুলা শুনছেন
৩য়	উবাই শুনছে	উম্‌ৰা শুনছে

ভূত-কাল

১ম	মুই শুনলুঙ	আম্‌ৰা শুনলুঙ
২য় (তুচ্ছ)	তুই শুনলি	তুম্‌ৰা শুনলেন
(মান্য)	তোম্‌ৰা শুনলেন	তোম্‌ৰাগুলা শুনলেন
৩য়	উৰাই শুনিল	উম্‌ৰা শুনিল

পূৰ্ণভূত কাল

১ম	মুই শুনছিলুঙ	আম্‌ৰা শুনছিলুঙ
২য় (তুচ্ছ)	তুই শুনছিলু	তুম্‌ৰা শুনছিলেন
(মান্য)	তোম্‌ৰা শুনছিলেন	তোম্‌ৰাগুলা শুনছিলেন
৩য়	উবাই শুনছিল	উম্‌ৰা শুনছিল

ভৱিষ্যত কাল

১ম	মুই শুনিম	আম্‌ৰা শুনিম
২য় (তুচ্ছ)	তুই শুনবু/ শুনবি	তুম্‌ৰা শুনবেন
(মান্য)	তোম্‌ৰা শুনবেন	তোম্‌ৰাগুলা শুনবেন
৩য়	উৰাই শুনবে	উম্‌ৰা শুনবে

৫.০২.৯ সৰ্বনাম ঃ

পুৰুষবাচক সৰ্বনাম ঃ

পুৰুষ	একবচন	বহুবচন
প্ৰথম	মুই	আম্‌ৰা
দ্বিতীয় (তুচ্ছ)	তুই তুম্‌ৰা/ তুম্‌ৰাগুলা	
(মান্য)	তোম্‌ৰা	তোম্‌ৰাগুলা
তৃতীয়	উৰে/ উৰা	উমৰা/ উম্‌ৰাগুলা

সমীপৱৰ্তী সৰ্বনাম ঃ

তুচ্ছ	ইআ	ইম্‌ৰা/ ইম্‌ৰাগুলা
মান্য	ইম্‌ৰা	ইম্‌ৰাগুলা
ক্লীব	এইটা	এইগলা, এগিলা, এগুলা, এইলা

দূৰৱৰ্তী ঃ

	ওই	উম্‌ৰা/ উম্‌ৰাগুলা
তুচ্ছ	উম্‌ৰা	উম্‌ৰাগুলা/ সেগিলা
মান্য	সেইটা/ ওটা/ ওইটা	ওগিলা/ওইগ্‌লা/ওগুলা/
ক্লীৱ		ওউগুলা

সম্বন্ধবাচক সৰ্বনাম ঃ

সাধাৰণ	জাএ জাই	
ক্লীৱ	জেটা, জেইটা	জেগুলা, জেগ্‌লা

প্ৰশ্নবাচক সৰ্বনাম ঃ

প্ৰাণীবাচক	কায়/ কাই	
অপ্ৰাণীবাচক	কি/ কিশ্‌	কুনগুলা

অনিশ্চয়তাবাচক সৰ্বনাম ঃ

কাও, কাইও, কেবা	কাও, কাইও, কেবা
কোন্‌বা	কোন্‌বা, কাইবা

ক্ৰিয়াৰূপ এনেধৰণৰ ঃ

মান্য	**গোৱালপৰীয়া**
মই কওঁ/ খাওঁ/ দিওঁ	মুই কঙ/ খাঙ/ দেঙ
	অথবা
	মুই/ আমি কই, খাই, দেই
তই ক/ খা/ দে	ক,খা, দে
মই কলোঁ/ খালোঁ	আমি কইলেম, খাইলেম
মই ক'ম, খাম, দিম	আমি কমু, খামু, দিমু
তোমালোকে ক'বা, খাবা, দিবা	তোমৰা কইবে, খাইবে, দিবে
মই কৈছো	আমি কইবেৰ লাগছি
মই কৈছিলো	ঈমি কইচলেম
তই কৈছিলি	তুই কইচ্‌লি
তুমি কৈছিলা	তোমৰা কইচ্‌লে
সি কৈছিল	উই কইচিল

সম্ভাব্য ভূত কালৰ কামৰূপীৰ সৈতে সাদৃশ্য আছে। যেনে—

কামৰূপী	**গোৱালপৰীয়া**
মই কলু হয়	আমি কইলেম হয়
তই কলি হয়	তুই কলি হয়
সি কলে হয়	উই কইল হয়

পৰিণামবাচক বিশেষণ—

মান্য অসমীয়া	**কামৰূপী**	**গোৱালপৰীয়া**
ইমান	এমান, ইমান	এতো
সিমান	সেমান, সেমেন, সিমান	অতো
যিমান	জেমান, জিমান	জতো, ঝেতো

গুণবাচক বিশেষণ—

এনেকুৱা	এনা, এন্‌কা, এংকা	এইচন এইৰহম
তেনেকুৱা	তেনা, সেনা, তেংকা	অইচন, তাইৰহম
যেনেকুৱা	জেনা, জেন্‌কা	জেমন, ঝেইচন ইত্যাদি।

৫.০২.১০ পৰসৰ্গ ঃ

গোৱালপৰীয়া উপভাষাত পৰসৰ্গ আৰু উপসৰ্গধৰ্মী ৰূপৰ প্ৰয়োগ ব্যাপক। দুটামান উদাহৰণ দিছোঁ—

হাতে ঃ হৰি হাতে (হৰিৰ কাৰণে)
দিয়া ঃ উব্‌াক দিয়া (তাৰ দ্বাৰা, কামৰূপী— তাক দি)
নাগি ঃ মোক নাগি (মোলৈ, কাম— মোক গেলি/ লগি)
বাদে ঃ ৰামক বাদে (ৰামত বাহিৰে, কাম— ৰামক/ ত বাদে)
জন্যে ঃ মাইওৰ জইন্নে (ছোৱালীজনীৰ বাবে)
থাকি ঃ উব্‌াৰ থাকি (তাৰ বাবে)
মতন ঃ মোৰ মতন (মোৰ দৰে) ইত্যাদি।

৫.০২.১১ ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ ঃ

ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ 'না' ক্ৰিয়াৰ আগত বহে। মান্য অসমীয়া আৰু কামৰূপীত এনে 'ন' সমীভৱন হয়— গোৱালপৰীয়াত সাধাৰণতে নহয়। যেনে—

মান্য অসমীয়া	**গোৱালপৰীয়া**	**কামৰূপী**
নাখাওঁ/ নেখাওঁ	নাখাঙ	নাখং
নোৱাৰো	না-পাঙ	নোৰু
নুশুনো	না-শুনুঙ	নুশুনু
নেদেখোঁ	না-দেখুঙ	নেদ্‌খো
নোধোওঁ	না-ধুঙ	নুধঙ
নপৰে	না-পৰে	নপ্‌ৰে
নকৰে	না-কৰে	নক্‌ৰে
নবহে	ন-বশে	নবহে
নাহে	না-আইশে	নাহে ইত্যাদি।

৫.০২.১২ শব্দমালা ঃ

(ক) সম্বন্ধবাচক শব্দ ঃ

মান্য অসমীয়া	গোৱালপৰীয়া	কামৰূপী
দেউতা/ পিতা	বাব	বাপা/পিতা/পিতি
খুৰা	কাকা	খুৰা/খুততি/দাদা
আইতা	বুৰাবাপ	আতা
বৰজনা	ভাশুৰ	ভাই-শহুৰ
পেহা	পিশা	পেহা
পেহী	পিশি	পেহী
মহা	মউশা	মহা
নবৌ	বৌদি	বৌ
ভিনিহী	বোনু	ভিন্‌হি/ ভিহ্নি
ভনী	বৈন	বৈনী
জোঁৱাই	জামাই	জঙে/ জাউঙে

(খ) খেতি-বাতি সম্পৰ্কীয় ঃ

মান্য অসমীয়া	গোৱালপৰীয়া	কামৰূপী
যুঁৱলি	জোঙ্গাল	জল্‌ঙি/ জঙলি
এচাৰি	পেন্‌টি/ নাটি	লোৰু
কঠিয়া	বিছন/ বিধান/ জাউআ	কইঠা
কোৰ	কোদাল	কদল
কুঠাৰ	কুৰাল	খুঠৰ
গোহালী	গোইল	গোলি
ভঁৰাল	গোলা/ মাসা	ভাখ্‌ৰি

(গ) গছ-গছনি, ফল-মূল, শাক-পাচলি ঃ

শেৱালি	শেফালি	পাইনপেলি/পাইনপিয়লি
কল	কলা	কল
শিলিখা	কসাল	শিল্‌খা
কঠাল	কাঠাল/ কাঠোল	কঠল
কৰ্দৈ	কাম্‌ৰাঙা	কদ্‌দে
কুঁহিয়াৰ	কুশাৰি/ কুশেৰ	কুইহাৰ
মৰাপাট	কোশ্‌টা/ পাটা	পাটা
তামোল	গুৱা	তামুল

ৰবাব (টেঙা)	জোমুৰা/ জোম্বুৰা	হুক্‌মা (টেঙা)
জিকা	ঝিঙা	জিকা
ভেন্দি	ঢেৰি/ ঢেৰস	ভেন্দি
অমিতা	তোৰমুল/ মোধুফল	মইদ্‌ফল
ঔ	পাসখোল	ঔ
বেঙেনা	বাইগন	বাঙ্‌না/ বাউঙ্‌না
জলকীয়া	মৰুস	ভিজলুক/ ভজলুক
মধুৰীআম	শুপ্‌ৰি/ শুপাৰি	সোইফ্‌ৰাম/ ৰম

(ঘ) বাচন-বৰ্তন ঃ

কেৰাহি	কৰাই	কৰাহি
আখল	আখা	আখা
কলহ	কোলশী	কলহ
পটাগুটি	বাছাৰি/ পাটকু	পাটা/ পাটকু
মৈদা	বোটি	বোথি

(ঙ) অংগ-প্ৰত্যংগ ঃ

চকু	চোক/ সুকু/ সোকু	চখু
ডিঙি	গালা	গল
থুঁতৰি	হোতালি	থুথ্‌ৰি/ থুথ্‌ৰি
উৰু	চোৰু	উৰত
ভৰি	ঠেং	ঠেং/ ভোৰি
তপিনা	চৰপটা	তাইপ্‌না/ দাইপ্‌না
কঁকাল	কোমৰ	ককল/ কাকাল
আঙুলি	নোগুল	আউঙ্‌লি

(চ) প্ৰকৃতি জগত ঃ

পোহৰ	আলো/ পোহৰ	পহৰ
এন্ধাৰ	আন্ধাৰা	আন্ধাৰ
বোকা	কাদো	পেক
কুঁৱলি	কুআ/ কুআশা	কুএলি
জোন	চান	জোন
পানী	জল	পানী
বৰষুণ	ঝোৰি	বইৰ্‌হান
বতৰ	দেউআ	বতৰ

মেঘ	দেউতা/ মেগ	মেঘ
নদী/ নৈ	নোদি	নোদি
খেতিৰ বতৰ	পালিত	-
বালি	বালা	বালা
পুৱা	বিহান/ শকাল	পুৱা
নিয়ৰ	শিত	নিয়াৰ

(ছ) জুইৰ লগত সম্পৰ্কিত

জুই	আগুন/ জুই	জুই
আঙঠা	আঙ্ঠা	আংঠা
এঙাৰ	আঙ্ৰা	আংৰা
জুহাল	জুইশালি	জুইহাল
ধোঁৱা	ধুঙা/ ধুমা	ধোহা

(জ) দৈনন্দিন জীৱনৰ বয়বস্তু ঃ

চোলা	আঙ্সা/ জামা	চলা
আহুধান	আশু/ বিত্ৰি	আহু
চপৰা (মাটিৰ)	ইটা	চাপ্ৰা
পকী-কুঁৱা	ইন্দ্ৰা	ইন্ৰা
উৰল	উৰণ	উৰাল
হাঁকুটি	কোটা	হাউঙ্টি
জাপি	ঝাপি	জাপি
টাঙোন	ঠেঙা	তাঙন
কণী	ডিমা	দিমা
দুবৰিদলি	ডেআতি	দুবাৰগেইৰা
পুখুৰী	পুকুৰ/ দিঘি	পখ্ৰি/ পুখ্ৰি
গুটি	বিসি	গুটি
বাহ (চৰাইৰ)	ভাশা	বাহা
লতা	লেউআ	লাতা
লো	লোহা	লহা/ লুহা

(ঝ) অন্যান্য

মহুৰা	নোলি	মউহ্ৰা
বাঁজী	আটকুৰা	বাজা তিৰি/ বাজি
ভাগৰ	আল্সি	ভাগাৰ

খালৈ	খলাই	কোক/ কুক
গাত	গাড়া	গাৰা/ গাতা
বাট	ঘাটা	বাট
চকল	চাকা	চক্লা
থুই	চেপ	থু
যঁজা	জামা	জজা
উৰুলি	জোকাৰ	জকাৰ
তৰকাৰি (ভাজি)	লাব্ড়া	লাব্ৰা
মাহী আই	শতমাত	সৈতা আই
আলহী	শাগাই	কুৰ্মা, অতিথি
সেঙুন	শিএনি	সিয়ান
খুন্দনা	হামু	খুন্দেনি
পইতাচ'ৰা	তেল্মু	তেলভৌকা/ তেলপকা
আৰি (মাছ)	আটিকা	আৰি
উৰহ	ওৰশ	উৰাহ/ উৰহ
কাউৰী	কাওআ	কাউৰ
কাৰৈ	কোই	কোএ/ কএ
ঘা	ঘাওআ	ঘাঅ/ ঘা
টোপনি	নিন	টুপনি
গেদগেদী	ঘাগ্শি	সথ্লি
নোম	লোম/ ডুঙা/ লুম	লুম

শব্দৰ ক্ষেত্ৰত দেখা যায়, গৌৰীপুৰ বাদ দি বিলাসীপাৰা, চাপৰ আদি অঞ্চলৰ কামৰূপীৰ সৈতে অধিক সাদৃশ্য আছে। পুব-গোৱালপাৰা আৰু পশ্চিম কামৰূপৰ নৈকট্যই ইয়াৰ কাৰণ।

ধ্বনাত্মক শব্দ ঃ

মান্য অসমীয়া	গোৱালপৰীয়া	কামৰূপী
ফিৰ-ফিৰীয়া	ফুৰ-ফুৰা	ফিৰ-ফিৰা/ ফেইৰা
মলমলীয়া	মল-মলা	মল-মইলা

এনেদৰে আউল-বাউল, টাপাৰ-টুপুৰ, তচো-নচো (চঞ্চল), শেৰ-শেৰা (সেৰসেৰীয়া), কাটাৰ-কুটুৰ (কেটেৰ-জেঙেৰ) ইত্যাদি।

বাক্যৰ নমুনা ঃ

ৰাম হৰিতকৈ ভাল ঃ হৰিৰ ছাই/ ছায়া/ ছাইতে ৰাম ভাল

তাতকৈ এইটো ভাল ঃ ওইটাত থাকি এইটা ভাল
মই পইতা ভাত খাম ঃ মুই পান্তা ভাত খাইম।
শেৱালি ফুলৰ গছডাল কাটিলে ঃ শেফালি ফুলের গাছটা কাটিলেক।

সাঁথৰ ঃ

(১) গাও ধুম ধুম এক্কা হাড্ডি। (খেৰৰ পুঁজি)

(২) জলত জন্ম স্থলত বাস,
জলত দিলে সৰ্বনাশ।• (নিমখ)

(৩) এটি গেইলঙ, ওটি গেইলঙ, গেইলঙ হাব্ৰাঘাট।
এমন একটা জিনিস দেইখলং ফলের উপৰ পাত।। (আনাৰস)

ফকৰা-যোজনা ঃ

(১) ঘাটাত পাইলং কামাৰ
দাও গৰে দাও আমাৰ।

(২) নিজেৰ নগুন পৰাক দিয়া
বামোন মৰে হুতাশিয়া।

৫.০৩ চাহ বাগিছাৰ সাদানি ভাষা ঃ

অসমৰ জাতীয় জীৱনত চাহ জনগোষ্ঠীৰ লোকসকলে এক বিশিষ্ট ভূমিকা পালন কৰি আহিছে। ১৯৮৬ চনত প্ৰকাশিত চাহ পৰিষদৰ তথ্যমতে অসমত ৮৪৪ খন চাহ বাগিছা আছে আৰু এই বাগিছাবোৰত নিযুক্ত শ্ৰমিকৰ সংখ্যা হ'ল ৪,৮৪,৩৪৯ জন। ১৮৫৯-৬০ চনত চোটনাগপুৰ আৰু মেদিনীপুৰ অঞ্চলৰ পৰা চাহখেতি পথাৰত কাম কৰিবলৈ ২,০৪৯ জন বনুৱা আমদানি কৰা হয় আৰু এই প্ৰক্ৰিয়া পাছলৈ চলি থাকে। অসমৰ চাহ বাগিছালৈ যিমানবোৰ বনুৱা আমদানি কৰা হৈছিল তাৰ ভিতৰত বিহাৰৰ পৰাই সৰ্বাধিক লোক আৰু তাৰ পাছত ক্ৰমান্বয়ে পশ্চিমবংগ, উৰিষ্যা, মাদ্ৰাজ, মধ্যপ্ৰদেশ আদিৰ পৰা অহা।

চাহ জনজাতিৰ বিভিন্ন ফৈদ সম্পৰ্কে দেউৰাম তাছাই "চাহ বাগিছাৰ জাতি-জনজাতি" নামৰ গ্ৰন্থত আলোচনা কৰিছে। সেইবোৰ— মুণ্ডা, চাওতাল, উৰাং, চাঁওৰা, ভূঁইয়া, পাহাৰীয়া, পৰজা, গৌৰ, কন্ধ, বাইগা, খাড়িয়া, কোল, ভীল, সবৰ, ভূমিজ, গাটোৱাৰ, বৰাইক আদি।

ভাৰতবৰ্ষত বিভিন্ন প্ৰান্তৰৰ পৰা অহা চাহ জনগোষ্ঠীৰ লোকসকলৰ প্ৰধান সমস্যা আছিল ভাৱৰ আদান-প্ৰদান কৰা ভাষা এটাৰ। সময়ত বিভিন্ন গোষ্ঠীৰ ভাষাগত বৈশিষ্ট্যক সামৰি এক নতুন ভাষাৰূপে গা কৰি উঠিছিল। ইয়ে 'সাদানি ভাষা'। প্ৰথমছোৱাত ইয়াৰ গাঁথনি অস্পষ্ট আছিল যদিও এতিয়া স্থিৰ ৰূপ পাইছে আৰু অসমীয়া ভাষাৰ প্ৰভাৱে ইয়াক নিটোল ৰূপ দিছে। যেনে—

১। তই খুব ফজিৰে আহিবি।

২। চাৰা দিন বৰষুণ দিছে।
৩। সি বৰ জবলা হৈছে।

সাদানি ভাষাৰ ৰূপতত্ত্বৰ সাধাৰণ আভাস এটি তলত দিয়া হ'ল—

(ক) শব্দ বিভক্তি ঃ

প্ৰথম ঃ এ, ই, শূন্য
সি বৰ দুবলা হৈছে
জামাই যখন আলেই

দ্বিতীয়া ঃ কে
বাহিৰা মানুষকে নাই পুছা গছা

তৃতীয়া ঃ সে
তবে শান্তিসে ৰহব ভাই

চতুৰ্থী ঃ তে, এক, কলৈ
জোৱান শৰীৰে কাম কৰতে সুস্তী কেন
মানুষগিলাকলৈ

ষষ্ঠী ঃ ক, ৰ, এৰ
শিয়ালেৰ, গাধাক সমান

সপ্তমী ঃ তে, এ
পহিলা পীৰিতি কালে

(খ) সৰ্বনাম ঃ

'মই' শব্দ

একবচন	**বহুবচন**
মুই (তিৰ্যক ম')	হামনি (তিৰ্যক হাম)

'তই' শব্দ

'তই' (তো)	তোৰা (ত-যেনে তদেৰ)

'সি' শব্দ

ও	ওৰা

(গ) সম্বন্ধবাচক শব্দ ঃ

অসমীয়া	**সাদানি**
ককা	আজা (তু- আজোককা)
বৰলা	আঠকুড়া (তু- আঁঠুকুৰি, বৰগীত)
খুড়া	কাকা
শাহু	শাশু

পেহী	পিসী
বোৱাৰী	বহু

অসমীয়াৰ লগত মিল নথকা শব্দ ঃ

আইতা	আজা
জা	গতনি
স্বামী	ঘৈত
বিয়ে	চম্‌দি
শালপতি	চাড়ু
কন্যা	ডুলি (ডোলাত যাই বাবে ই)
দৰা	ডোলা

(ঘ) নঞৰ্থক প্ৰয়োগ ঃ

নঞৰ্থক ৰূপ 'নাই' ক্ৰিয়াৰ আগত বহে। যেনে—

নিদিয়ে	নাই দিবে
নুশুনে	নাই শুনে, নাই শুনবে
নোৱাৰে	নাই পাৰে, নাই পাৰবে
নাই	নাইখে
নহ'ব	নাই হোবে

(ঙ) তুমনন্ত ক্ৰিয়া ৰূপ ঃ

খাবলৈ	খা-তে
কবলৈ	বল-তে
কৰিবলৈ	কৰ-তে

(চ) শব্দ ঃ

কঁকাল	কমৰ
কাষলতি	কাখ-বগল
ডিঙি	গলা, ঘেঁচা
চকু	চখ, আখি, আখ
থুঁতৰি	থত্‌না
গৰ্ভৱতী	আশাৰতী, দুজীয়া
লাওখোলা	খপ্‌ড়ি
শৰীৰ	গতৰ
ওঁঠ	ঠোঁট
স্তন	দুদু

শকত	ধুমচা
কৃপণ	চিপা (কামৰূপী— চিপ্‌ৰা)
ঘা	ঘাৱ
আঘাত	চোট
অঙঠা	আঙ্‌ঠা (কাম— আঙঠা)
আবৈ চাউল	আল চাউল (কাম— একেই
তিতা	ভিজা (কাম— একে) ইত্যাদি।

'সাদানি' শব্দটো চোটনাগপুৰত প্ৰচলিত 'সাঘনি' ভাষাৰ ৰূপান্তৰ হ'ব পাৰে— ধ > দ। এই ভাষাটোক অসমীয়াৰে এক উপ-ভাষা বুলি স্বীকৃত দিয়াত বাধা নাই।

৫.০৪ নাগামিজ ঃ

নগা পাহাৰত 'অসমীয়া' এটা সময়ত 'পিজিন' আছিল যদিও পিছত ই বিভিন্ন ফৈদৰ মাজত সংযোগী ভাষাত পৰিণত হয়। এনে ভাষাৰ অধ্যয়ন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ। হাইম্‌ছ (Hymes) -ৰ মতে- পিজিনে "Demonstrate the interdependence of language and Society. Their studies open up new possibilities for integration of linguistic and Social research"

নগা পাহাৰত কুৰিটা সুকীয়া ফৈদ আছে। যেনে— আঙ্গামী, চেমা, লোথা, আও, ৰেংমা, চাৰখমাং, কন্যাক, ছাং, ফোম, য়িমছুঙ্গেৰ, খিআমঙ্গান, জেলিআং,কুকি চিৰু, ৰংমেই, মাও ইত্যাদি। এইবোৰৰ ভিতৰত কহিমা জিলাত চলা আঙ্গামী, ডিমাপুৰৰ আশে-পাশে থকা কছাৰী; জেলিআং; গোষ্ঠীৰ জেমি; তামেনলং জিলাৰ ৰংমেই; ৰেংমাস চোক্‌ৰি,মাও, খেঝা, পোচুৰি, লোথা, আও, চেমা, আৰু কন্যাক প্ৰধান ভাষা।

নগা পিজিনৰ উদ্ভৱ সম্পৰ্কে একো জনা নাযায়। মেকেঞ্জিৰ মতে জয়পুৰ, নামচাং, পানীদুৱাৰ, বৰদুৱাৰ অঞ্চলত বাস কৰা নগাসকলে 'নিমখ' তৈয়াৰ কৰি ভৈয়ামত বিক্ৰী কৰিছিল। জোন বাটলাৰে (John Butler) কয় যে ৰেংমা নগা আৰু নগাঁৱৰ মানুহৰ মাজত বস্তু বিনিময় প্ৰথাৰ বেহা-বেপাৰ আছিল। ৰবিনছনৰ মতে নগাসকলে আহোম ৰজাক কৰ-ভাৰ দিব লগা হৈছিল স্বাভাবিকতেই ভাৱ বিনিময়ৰ বাবে এটা ভাষাৰ প্ৰয়োজন হৈছিল। পৰিস্থিতি আছিল এনে ধৰণৰ —

(ক) নগা বেপাৰী	অসমীয়া গ্ৰাহক
(খ) অসমীয়া বেপাৰী	নগা গ্ৰাহক
(গ) নগাৰ এটা ফৈদ	নগাৰ অন্য ফৈদ

বৃটিছ যুগত ই অন্য ক্ষেত্ৰলৈও সম্প্ৰসাৰিত হৈছিল। যেনে—

(ক) অসমীয়া শিক্ষক, ডাক্তৰ, বেপাৰী— নগা মানুহ

(খ) সৈন্যবাহিনী

(গ) বিষয়া

যদিও অসমৰ বাহিৰৰ লোকেও নগা পাহাৰত চাকৰি কৰিছিল তথাপি সৰ্বসাধাৰণৰ লগত যোগাযোগ কৰাৰ একমাত্ৰ মাধ্যম আছিল 'নগা পিজিন'। আনহাতে নগাসকলে নিজৰ নিজৰ ভাষা নিজৰ গোষ্ঠীতে সীমাবদ্ধ- এটাই আনটোৰ কথা বুজি নেপায়। গতিকে এটা ফৈদৰ মানুহে আন ফৈদৰ মানুহৰ লগত কথা পাতিব লাগিলে 'নগা পিজিন'তে পাতিব লগা হয়।

৫.০৪.১ 'নগা পিজিন'ৰ বৰ্ণঃ

'নগা পিজিন'ত স্বৰবৰ্ণ এইবোৰ—

সন্মুখ	কেন্দ্ৰীয়	পশ্চ
ই		উ
এ		ও
	অ'	
	আ	

ব্যঞ্জনবৰ্ণ

উচ্চাৰণ স্থান	ঔষ্ঠ্য		দন্তমূলীয়		তালব্য		কণ্ঠ	
	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
অল্পপ্ৰাণ	প	ব	ত	দ	চ	জ	ক	গ
মহাপ্ৰাণ	ফ	ভ	থ	ধ	ছ	ঝ	খ	ঘ
নাসিক্য		ম		ন				ঙ
তাড়িত				ৰ				
পাৰ্শ্বিক				ল				
ঘৃষ্ট			স		শ		হ	
অৰ্ধস্বৰ		ৱ				য়		

বেলেগ বেলেগ অঞ্চলত এইবোৰ বৰ্ণৰ সংখ্যাৰ পাৰ্থক্য আছে। ওপৰৰ তালিকাখন আঙ্গামী পিজিনৰ।

চেমা, উত্তৰ নগা, কন্যাক, চাঙ্গ, ফোম্‌চ, খিআমঙ্গান, লোথা, আও পিজিনত 'জ' আৰু 'ঝ' বৰ্ণ নাই।

৫.৪০২ ৰূপতত্ত্ব ঃ

সৰ্বনাম ঃ

একবচন	বহুবচন
মোই	মোইখান/ আমিখান
তোই	তোইখন

আপুনি	আপুনিখন
তয়	তয়খন

মোইখন— আমিখনৰ প্ৰয়োগ মুক্ত বিকল্প। যেনে—

আমি গৈছিলো—	মোইখন জায়চে
	আমিখন জায়চে

বহুবচনৰ আগত 'আপুনি' বহিলেও কাৰক বিভক্তিৰ ক্ষেত্ৰত তিৰ্যক ৰূপ 'আপুনা' হয়। যেনে—

আপুনিখন জাবো	আপোনালোক যাব
আপুনাৰ লোৱা	আপোনাৰ ল'ৰা

'তয়' বহুবচনৰ লগত অপৰিবৰ্তিত থাকে; কিন্তু কাৰক বিভক্তিৰ লগত 'তা' হয়। যেনে—

তয় জাইচে	সি বা তাই গ'ল
তাক দিবি	তাক বা তাইক দিবি

বচন ঃ

সংখ্যাবাচক এক, দুইটা, কিছুমান আদিৰ উপৰিও প্ৰত্যয় 'খন' আৰু 'বিলাক' ব্যৱহাৰ হয়। যেনে —

চুআলি দুইতা	ছোৱালী দুজনী
চুআলিবিলক দুইতা	ছোৱালী দুজনী
চুআলি এক্‌তা আহিচে	ছোৱালী এজনী আহিছে
মোইখন আহিচে	আমি আহিছো

কাৰক ঃ

কৰ্তা	ঃ	শূন্য
কৰ্ম	ঃ	ক (শূন্য), কে
কৰণ	ঃ	দি
নিমিত্ত	ঃ	কে
আপাদান	ঃ	পৰা
সম্বন্ধ	ঃ	ৰ
আধিকৰণ	ঃ	তে

যেনে—

কৰ্তা কাৰক	ঃ	মোই দেখিছে
কৰ্ম কাৰক	ঃ	মোই আপুনিখনকে দেখিছে— মই

		আপোনালোকক দেখিছিলো
		মোই আপোনাক দেখিচে
কৰণ কাৰক	ঃ	লাথিদি মাৰিচে
নিমিত্ত কাৰক	ঃ	কৰ্ম কাৰকৰ দৰে
সম্বন্ধ	ঃ	মোৰ চুআলি
		মানুৰ দাৰ- মানুহৰ দা
		চকৰোৰ থেং- চাকৰৰ ভৰি
আপাদান	ঃ	ইস্কুল পৰা জাইছে- স্কুলৰ পৰা গ'ল

কছাৰী, চেংমা, কন্যাক, ফোম, চাঙ্গতাম্‌চ আদিত কৰ্ম কাৰকৰ চিন নাই। যেনে—

মোই তয় দেখিচে— মই তাক দেখিছিলো।

কিন্তু প্ৰথম আৰু দ্বিতীয় পুৰুষৰ সৰ্বনামত ব্যৱহাৰ হয়। যেনে—

তয় মুকে দেখিচে— সি মোক দেখিছিল।

তলৰ বাক্যবোৰ চাওক ঃ

মই ল'ৰাটোলৈ এখন কিতাপ দিছিলো— মোই এক্‌তা কিতাব লোৰা দিচে

গাইজনীক ঘাঁহ দিছিলো— মোই গাচ গোৰু লগত দিচে

ল'ৰাটোৱে গছত পানী দিছে— লোৰা পানী গচ দিচে।

ক্ৰিয়া ৰূপ ঃ

জায়	ঃ	যায়
জাবো	ঃ	যাব
জায়চে	ঃ	গৈছিল
জাবি	ঃ	যাবি
জায়লে	ঃ	গলে
জাবোলে	ঃ	যাবলৈ
জায়চিলু	ঃ	গৈ আছিল
জায়চে	ঃ	গৈ আছে

৫.০৫ কাছাৰৰ অসমীয়া ভাষা ঃ

এসময়ত ত্ৰিপুৰা, চিলেট আদিৰ বৰঅসমৰ অন্তৰ্গত আছিল। গ্যেইটে লিখিছে যে, চিলেট বড়ো অধ্যুষিত আছিল আৰু ইয়াৰ ৰজাও আছিল। তেখেতৰ মতে— "Sylhet is scarcely mentioned in lod legends, but from the circumstances that Bodo speaking tribes are found both north and south of it. It may be conjectured that in early times it was inhibited by people of the some stock and was ruled by Bodo Kings." (A History of Assam, third edition, page-275)। আৰ চি দত্তৰ মতে পুৰণি কামৰূপৰ অধীনত চিলেট, ময়মনসিং, কাছাৰ আৰু মণিপুৰো

আছিল। আহোম ৰাজত্বৰ সময়ত কাছাৰৰ কছাৰী ৰজা মাজে মাজে কৰতলীয়া হ'ব লগা হৈছিল।

কাছাৰৰ পুৰণি নাম হিড়িম্বাপুৰ সম্ভৱতঃ 'ডিমাপুৰ'ৰ আৰ্যীকৰণ। বড়ো ভাষাত 'দি' মানে নদী, 'মা' মানে জাঙৰ, মহান। ডিমাপুৰ ধনশিৰী নৈৰ পাৰত অৱস্থিত। কাছাৰৰ কছাৰীসকলে 'ডিমাছা' বুলি পৰিচয় দিয়ে। ই 'ডিমা-ফিচা' শব্দৰ ৰূপান্তৰ অৰ্থ হ'ল 'ডাঙৰ বা মহান নৈৰ সন্তান'।

চিলেটৰ ভাষাৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক বৰ্তমান অৱস্থাত বিচাৰিবলৈ যোৱাটো পৰ্বতত কাছকণী বিচৰাৰ দৰে পণ্ডশ্ৰমহে হ'ব। কাৰণ বাংলাৰ এটি আঞ্চলিক ৰূপহে মাথোন। কাছাৰৰ অৱস্থাও প্ৰায় একে। অথচ গ্ৰীয়াৰ্ছনে লিখিছিল— "কেন্দ্ৰীয় আৰু উত্তৰ বংগৰ মানুহে পূব চিলেটৰ ভাষা বুজি নাপায়। (L.S.9, Vol.-5, part-1, page 224)।......'চ' আৰু 'ছ' উচ্চাৰণৰ পাৰ্থক্য নাই। স, শ, ষ— অসমীয়াৰ দৰেই 'হ' -লৈ ৰূপান্তৰিত হয়। ....'সকল'ৰ পৰিবৰ্তে 'হকল' কয়।"

১৯১৩ চনত ওলোৱা ঁবেণুধৰ ৰাজখোৱাৰ Notes on the Sylhetee Dialect বোলা গ্ৰন্থখনৰ আধাৰত কিছু কথা উল্লেখ কৰা হ'ল—

ধ্বনিতত্ত্ব ঃ

(ক) কছাৰী ভাষাত শ, ষ, স > হ। যেনে—

সঁফুৰি > সফ্‌ৰি (কাম) > হফ্‌ৰি

সান্দহ > হান্দ

শেলুক > হালুক

'শ' কেতিয়াবা 'খ' হয়। যেনে—

শুন > খুন

শুদা > খুদা

(খ) অসমীয়াৰ দৰে কছাৰী ভাষাতো 'চ', 'ছ'ৰ পাৰ্থক্য নাই। সেইবাবেই সবডিভিজন, কেৰাসিন নেলেখে; চব-ডিভিজন, কেৰাচিনহে লিখে।

(গ) 'জ'ৰ উচ্চাৰণ অসমীয়া দন্তমূলীয় 'জ'ৰ দৰে। জ, ঝ, য-ৰ পাৰ্থক্য নাই। এইবাবেই পাৰিযাত (পাৰিজাত), সঞ্জোগ (সংযোগ) ৰূপ পোৱা যায়।

(ঘ) কছাৰীত 'ৱ' ধ্বনি আছিল। লিখাত 'য়' লিখিলেও উচ্চাৰণ এচিয়াও 'ৱ' কৰা হয়। যেনে— গুয়া > গুৱা

(ঙ) কছাৰীত শ > হ; এনে 'হ' স্বৰ-মধ্যৱৰ্তী হ'লে প্ৰায়ে লোপ পায়। যেনে—

শশুৰ > হহুৰ, হউৰ

বাহু > বাউ

(চ) ড় > ৰ

বাড়ী > বাৰি

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) কছাৰীত অন্যান্য ৰূপৰ লগতে বহুবচনৰ চিন 'সকল' পোৱা যায়।

(খ) বিভক্তি

	কাছাৰী	**মান্য/ কামৰূপী**	**বাংলা**
১মা	এ, ই	এ, ই	
২য়া	ক, ৰে	ক	কে
৩য়া	এ, দ্বাৰা, দ্বাৰাতে	এ, ৰে (দ্বাৰা)	ৰে, দ্বাৰা
৪ৰ্থী	এ, ষষ্ঠী + নিমিত্তে	ক, লৈ	
৫মী	হন্তে, হনে	ষষ্ঠী + পৰা	থেকে
৬ষ্ঠী	ৰ	ৰ	এৰ
৭মী	ত	ত, এ	তে

(গ) অসমীয়াত 'খাবিনে' কছাৰীত 'খাইতাইনি'; কিন্তু বাংলাত 'খাবে কি?'

(ঘ) অসমীয়া ক্ৰিয়াবাচক স্বাৰ্থিক গৈ (যেনে— গ'লগৈ), কছাৰীত 'গেল গি।'

শব্দগত সাদৃশ্য ঃ

(ক) অসমীয়াত 'মই'; কছাৰীত মই, মুই, বাংলাত আমি।

অসমীয়াত 'সি'; কছাৰীত সে (উচ্চাৰণ হে), বাংলাত সে

(খ) ধাতুৰূপ ঃ অপূৰ্ণ ভূত কাল

	কছাৰী	**অসমীয়া**	**বাংলা**
প্ৰথম পুৰুষ	লিখিয়াছিলি	লিখিছিলো	লিখিয়াছিলাম
দ্বিতীয় পুৰুষ	লিখিয়াছিলা	লিখিছিলা	লিখিয়াছিলে
			ইত্যাদি।
		স্বৰূপ ভূত	
	কৰিলু	কৰিলোঁ	কৰিলাম
	ভাসিলু	ভাহিলোঁ	ভাসিলাম
	জন্মিলু	জন্মিলো	জন্মিলাম

কছাৰীৰ ৰূপবোৰ কামৰূপীৰ সৈতে সম্পূৰ্ণ একে।

	পাইলু হনে	পালোহেঁতেন	পাইতাম
ভবিষ্যত কাল	কইমু	ক'ম	বল্ব

অসমীয়াৰ দৰে কছাৰী আৰু চিলেটীয়াতো 'কয়', বাংলাত 'বলে'।

দিওকা	দিওক	দিউন (দিন)
খাওকা	খাওক	খাউন (খান)

কৰোকা	কৰোক	কৰুন

শব্দগত বৈশিষ্ট্য ঃ

বেণুধৰ ৰাজখোৱাই চিলেটীৰ সৈতে শব্দগত সাদৃশ্যৰ এক বিস্তৃত তালিকা দিছে। আমি তাৰে নিৰ্বাচিত কিছু কথা উদ্ধৃত কৰিম। তাৰ আগতে নজৰুল হক মাঝাৰ ভূঞাৰ প্ৰবন্ধ 'বৰাক উপত্যকাৰ জনজীৱনত এভুমুকি" নামৰ প্ৰবন্ধৰ পৰা কিছু কথা উদ্ধৃতি কৰিছো—

"বৰাক উপত্যকাত বসবাস কৰি থকা হিন্দু-মুছলমান আৰু বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰ ভাষাসমূহৰ সংমিশ্ৰণত এই উপত্যকাৰ বৰ্তমান প্ৰচলিত ভাষাৰ সৃষ্টি হৈছে আৰু আৰবী, পাৰ্চী, ধেয়ান আৰু অসমীয়া ভাষাৰ লগত ইয়াৰ যথেষ্ট সাদৃশ্য আছে। ইয়াৰ পৰা অনুমান হয় যে এই উপত্যকাত উপৰোক্ত ভাষা-ভাষী বহুদিন ধৰি শান্তিপূৰ্ণ সহাবস্থান ঘটিছিল। কাছাৰৰ প্ৰচলিত ভাষাত উপৰোক্ত ভাষাসমূহৰ অসংখ্য শব্দ সিঁচৰতি হৈ আছে। তলত কেইটামান মাত্ৰ উদাহৰণ দিয়া হ'ল—

কছাৰী	**অসমীয়া**	**ধেয়ান**	**বাঙালী**
আও	আহ	আঃ	এস
দিমু	দিম	দিম	দেব
বেচা	বেচ	বেচা	বিক্ৰয়
হকল	সকলো	গক্কল	সমস্ত
টেঙ্গা	টেঙা	টেঙা	টক
মানু	মানুহ	মানু	মানব
মুনি	মুনিহ	মুনিয়া	পুৰুষ
বেইল	বেলি	ওভই	সূৰ্য
মুই	মই	মই	আমি
মাত	মাত	মাৎ	কথা
পানী	পানী	পানী	জল
হলানি	সলনি	হলনি	দলানো
থিত	থিত, থিতাপি	থিত	স্থিতি।"

এতিয়া ৰাজখোৱাৰ অধ্যয়নৰ আধাৰত উদাহৰণ দিয়া হ'ল—

	মাহৰ নাম	
অসমীয়া	**চিলেটী/ কছাৰী**	**বাংলা**
ব'হাগ, বৈহাগ	বৈহাগ	বৈশাখ
জেঠ	জেঠ	জৈষঠ
আহাৰ	আহাৰ	আষাৰ
শাওন	হাওন	শ্ৰাবন

ভাদ	ভাদ	ভাদ্র
কাতি	কাতি	কার্তিক
আঘোণ	আঘোণ	অগ্রহায়ন

গছ-গছনি

শেলুক	হালুক	ৰক্তকম্বল
কুঁহিয়াৰ	কুহিয়াৰ	আক
সফুৰি, সফ্ৰি	হফৰি	পেয়াৰা
উৰহি	উৰ্হি	শীম
টেঙা	টেঙ্গা	টক

মাছ, জন্তু

শিঙৰা	শিঙ্গৰি/ হিঙ্গৰি	টেংৰা
ৰৌ	ৰৌ	ৰুই
কান্ধুলি	কান্ধলা	ফলুই
মিচা	ইচা	চিংৰ
ঘঁৰিয়াল	ঘৰিয়াল	কুম্ভীৰ
মেকুৰী	মেকুৰ	বিড়াল
দমৰা	দামা	এঁৰে
নেউল	নেউল	বেজি

খেতি-বাতিৰ লগত সম্পৰ্কিত শব্দ

টঙি	টঙ্গি	কুঁৰে ঘৰ
লোৰ	লোৰ	নৰ্দমা
টাটি	টান্তি	বেড়া
গো-বাট	গো-পাট	ভাগাৰ
পঘা	পাঘা	দড়া

বিশেষণবাচক শব্দ

ডাঠ	ডাঠ	শক্ত
সৰু	হৰু	ছোট
সঁচা	হচা	সত্য
ঠাৱৰ	ঠাৰ	নিশ্চিত
কজলা	কাজলা	শ্যাম
বহুত	বহুত	অনেক

ক্ৰিয়াবাচক শব্দ

নিকা কৰে	নিকায়	সাফ কৰে
সাৰে	সুৰায়/ হুৰায়	ঝাৰে দেয়
খজুৱায়	খাজুৱায়	চুলকায়
খোজে	খোজে	চায়
দায় (ধান)	দায়	কাটে
ৰোৱে	ৰোৱে	বোনে
পিন্ধে	পিন্ধে	পড়ে
খেদায়	খেদায়	তাড়াই ইত্যাদি।

জতুৱা ঠাচ

এৰি দে	এড়িয়া দে	ছাড়িয়া দে
বিষয় পা	বিষয় পা	বিষয় মিল
মাটি চহা	জমি চহ	ভূমি চাষ কৰ
ভাল পা	ভাল পা	ভালো বাস
কাপোৰ পিন্ধ	কাপড় পিন্ধ	কাপড় পৰ

'ধেয়ান' বা 'দেৱান' ভাষা বুলিও কছাৰী ভাষাক দুই-একে আলোচনা কৰিছে। কিন্তু 'ধেয়ান' কছাৰী ভাষাৰে এক বিশিষ্ট ৰূপহে। ধেয়ান ভাষাৰূপৰ অসমীয়াৰ সৈতে বেছি নিবিড় সম্পৰ্ক।